# ত্যাগবীৰ হেম বৰুৱা মহাবিদ্যালয়
# আলোচনী

৫ম সংখ্যা
১৯৯১-৯২

MAY THE DIVINE LIGHT ENLIGHTEN US

T H B COLLEGE
JAMUGURIHAT

T.H.B. College Library
Jamugurihat, Sonitpur
(Assam)
Acc. No. 2791 (অ)

সম্পাদক ঃ শ্ৰীঅশ্বিনী কুমাৰ বৰা

# ৰাজপথত অলপ মানুহ লাগে

শ্ৰীবলীন ভূঞা
স্নাতক, ২য় বাৰ্ষিক (কলা)

মই এতিয়াও জীয়াই আছো ফাগুনৰ শুকান পথাৰত
বসন্তৰ বাতৰি দিব পৰা এজোপা গছৰ দৰে।
মোৰ বীজবোৰ মৰুভূমিতহে অঙ্কুৰিত হয়। মোৰ জন্মই
বহুত পৰ্ব্বত ভৈয়াম কৰিছে
বহুত মৰুভূমি উপত্যকা কৰিছে
বহুত আন্ধাৰ পোহৰ কৰিছে আৰু
বহুত মৃত্যুক জন্ম দিছে। আকৌ
মোৰ জন্মই কাৰোবাৰ মৃত্যুকে মাতে। অৱশ্যে
শত্ৰুতা মোৰ সৌৰজগতৰ বৃহস্পতিৰ সতে
দিনত আন্ধাৰৰ সতে
দুখত ঈশ্বৰৰ সতে আৰু
আদালতত মিছাৰ সতে। মোৰ অস্তিত্বক
সিহঁতে ইতিকিং কৰে; গৌৰৱক ভূলুণ্ঠিত কৰে;
বহুতে মোক কাৰোবাৰ প্ৰৰোচনাত পৰি সৰু কৰিব খোজে
ভুল পথে লৈ যাব খোজে; বহুৱাব খোজে শত্ৰুৰ সতে
মোৰ ইচ্ছাৰ বিপৰীতে।
মই এতিয়া বহুত প্ৰাণত গৰ্ভধাৰণ কৰিছো। নিজকে
আনবিক শক্তিৰ দৰে গঢ় দিছো। গৰ্ভৰ পৰাই দাবী কৰিছো
এখন বহল আকাশৰ বাবে। সেয়ে মোৰ জন্মৰ বাবেও
ৰাজপথত অলপ মানুহ লাগে। ■

# ৰ'দৰ চৰাইজাক

শ্ৰীমনজিত বৰা
স্নাতক, ৩য় বাৰ্ষিক (কলা)

এটা যুগৰ শেষ হ'ল
ডাইনচ'ৰৰ জঁকাত লাগি ৰ'ল
মানুহৰ মন।
ক'ত যে হেৰাই গ'ল ৰ'দৰ চৰাইজাক!
জোনৰ দৰে মনৰ গোলাপ ফুলৰ মানুহবোৰ
এতিয়া এটা সপোন।
বুঢ়ী আইতাৰ সাধু এতিয়া শেষ হ'ল,
পানী যুঁৱলীত উদং নদীয়াল হাত
আৰু বহুতো সুৰহীন নাওঁ,
নীলা অশ্বখুৰাবোৰ সাগৰৰ বহুত সিপাৰে
আকাশৰ মেখলাত বুটা হৈ ৰ'ল।
আকৌ লুপ্ত হ'ব এটা যুগ,
শিলনিত সিহঁতে লেচেৰী বুটলি ল'ব
আমাৰ ইতিহাস—
এজাক কাঁইটীয়া গছ গজিছিল,
ডালে-পাতে ঢাকি ধৰিছিল সমুদ্ৰ আকাশ;
প্ৰিয়তম আন্ধাৰত হেৰুৱাইছিল সিহঁতে
তগৰ ফুলৰ গোন্ধ। ■

# শীতৰ ছবি

শ্ৰীনন্দিতা শইকীয়া
স্নাতক, ১ম বাৰ্ষিক (কলা)

(১)
শীতৰ কুঁৱলীয়ে ঢাকি আছে
পৃথিৱীৰ উদং বুকু
লঠঙা শিমলুৰ ফাঁকেদি
দিনৰ উজ্জ্বল গোন্ধে
চেলেকি চাইছে ৰহস্যময় উদং বুকুৰ কথকতা।

(২)
দুপৰ ৰাতি উদং গছবোৰৰ বুকু ফালি
বৈ আহে পৃথিৱীৰ উচুপনি
শীতৰ সেমেকা ৰাতিৰ ছবি যেন
তোমাৰ মুখৰ করুণ উজ্জ্বলতা
চৌদিশ জুৰি বিয়পি আছে কেৱল বিষাদ
আৰু বিষাদৰ নিজান পোহৰ। ■

# অৱচেতনত সুখৰ দিন

শ্ৰীমালবিকা বৰা
স্নাতক, ৩য় বাৰ্ষিক (কলা)

আজি অৱচেতনৰ লগত কথা পাতিছিলো!
আমাৰ বুঢ়ী আইতাৰ দিনৰ ধান দোৱা কাঁচিখনত,
নকৈ সান দিয়া হৈছিল।
আমাৰ আজন্ম ক্ষোভ আৰু হতাশাবোৰ,
পলকতে মোৰ হাতৰ পুতলা হৈ পৰিছিল।
সিহঁতক নিজ হাতে ভাঙি-পিতি মই গঢ়ি তুলিছিলো
সুখৰ দিনৰ সপোন।
মোৰ হাত দুখন অসীমলৈ প্ৰসাৰিত হৈছিল—
স্পৰ্শ কৰিছিলোঁ, ধুপৰ ছাই যেন দগ্ধ দুখামোচ মাটি।
এখামোচ ছটিয়াই দিছিলোঁ শূন্যলৈ
ঠন ধৰি উঠাৰ প্ৰয়াসেৰে জীৱনৰ নীলা ৰংবোৰ।
আৰু ইখামোচ ছটিয়াই দিছিলোঁ—
আন্ধাৰ বাটত বৈ থকা নিৰীহ মানুহবোৰলৈ,
সাৰথি হোৱাৰ কামনাৰে, নকৈ প্ৰস্ফুটিত হ'ব ধৰা বীজবোৰ। ■

# অসম বুৰঞ্জীৰ বিতৰ্কিত চৰিত্ৰ ঃ কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱা

**শ্ৰীঅশ্বিনী কুমাৰ বৰা**
**স্নাতক, ১ম বাৰ্ষিক**

কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱা অসম বুৰঞ্জীৰ এটি অতি জটিল চৰিত্ৰ। স্বৰ্গদেৱ শিৱসিংহৰ দিনৰে পৰা লক্ষ্মী সিংহৰ দিনলৈকে সুদীৰ্ঘ সাতাইশ বছৰ কাল বৰবৰুৱাৰ বিষয় বাব খাই অসম বুৰঞ্জীত এজন অভিজ্ঞ ৰাজনীতিজ্ঞ হিচাপে কীৰ্ত্তিচন্দ্ৰই খ্যাতি ৰাখি থৈ গৈছে। এজন সাধাৰণ কঁড়ী পাইকৰ ল'ৰাৰ বাবে এই কাৰ্য্য নিঃসন্দেহে এটা গৌৰৱৰ কথা। পিছে এই গৰাকী ৰাজনীতিজ্ঞ ব্যক্তিৰ প্ৰতি অসমীয়া জনসাধাৰণৰ মনোভাৱ ভাল নহয় যেন লাগে। বিশেষকৈ ঐতিহাসিক সকলে তেওঁৰ ওপৰত বহুতো কলংক জাপি থৈ গৈছে। ইয়াৰ কাৰণো নোহোৱা নহয়। কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱাই বেদ-পুৰাণ তুল্য বহুতো অমূল্য বুৰঞ্জী দাহ কৰিছিল। এই বুৰঞ্জীৰ দাহ কু-কৰ্মৰ বাবে বুৰঞ্জী লেখকসকল স্বাভাৱিকতে ক্ষুন্ন হৈছিল আৰু তেওঁৰ ওপৰত জাপি থৈ গৈছিল বহুতো সঁচা-মিছা অপবাদ। এই বুৰঞ্জীদাহ ঘটনাটোৰ বাবে অকল কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱাই দায়ীনে? নিৰপেক্ষ দৃষ্টিভংগীৰে এই কথা বিশ্লেষণ কৰা প্ৰয়োজন। দোষ-গুণৰ সমষ্টিয়েই হৈছে মানুহ। দোষৰ লগতে গুণ খিনিও উপলব্ধি কৰা প্ৰয়োজন।

১৬৯৯ চনত কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱাৰ জন্ম হয় আৰু ১৭৪২ চনত পিতৃ ৰূপচন্দ্ৰৰ মৃত্যুৰ পাছত ৪৩ বছৰ বয়সত কীৰ্ত্তিচন্দ্ৰই 'বৰবৰুৱা' বাব গ্ৰহণ কৰে। তেতিয়া আছিল স্বৰ্গদেৱ শিৱসিংহৰ ৰাজত্ব। পাছে শিৱসিংহৰ সান্নিধ্য কীৰ্ত্তিচন্দ্ৰই বেছিদিন নাপালে। বিষয়বাব লোৱাৰ দুবছৰ পাছতে ১৭৪৪ চনত তেওঁৰ মৃত্যু হয়।

শিৱসিংহৰ কিছুমান কাৰ্য্যই কীৰ্ত্তিচন্দ্ৰক বিস্মিত কৰি তুলিছিল। নাৰীৰ প্ৰতি দুৰ্বলতা শিৱ সিংহৰ এটা ডাঙৰ দোষ আছিল। তেওঁ সৰুৰেপৰা আমোদ প্ৰিয় আৰু ৰাজকাৰ্য্যত মনোযোগ দিয়াতকৈ আমোদ-প্ৰমোদত দিন কটাবলৈ ভাল পাইছিল। বৈষ্ণৱ প্ৰধান ৰাজ্য অসমত শিৱসিংহৰ দিনত শাক্ত ধৰ্মই মূৰ দাঙি উঠে। এচাম সুবিধাবাদীয়ে শিৱসিংহৰ দুৰ্বলতাৰ সুযোগ ল'লে, যাৰ ফলত ফুলেশ্বৰীৰ দৰে সাধাৰণ নাচনী ছোৱালীও ৰাজৰাণী হৈ বহুখিনি কৰিলে।

এই জনা ৰজাৰ দিনত আহোম ৰাজ্যত তিনিটা নতুন কথা সোমাল—ৰজাঘৰত শাক্ত ধৰ্মৰ প্ৰৱেশ, তিৰোতাৰ ৰাজপদ লাভ, আৰু ৰাজ্য শাসন ব্যৱস্থাৰ পৰা ছত্ৰভংগ যোগৰ বাবে ৰজাৰ অৱসৰ গ্ৰহণ। কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱাই এই তিনি কাৰ্য্যৰ ভয়াবহ পৰিণতিৰ কথা বাৰুকৈ উপলব্ধি কৰিব পাৰিছিল। তেওঁ ৰাজকাৰ্য্যত খোপনি লৈছিলহে মাত্ৰ; গতিকে এই জনা ৰজাৰ দিনত কীৰ্তিচন্দ্ৰ বৰবৰুৱাই বিশেষ একো কৰিব নোৱাৰিলে।

শিৱসিংহৰ মৃত্যুৰ পাছত কোন ৰজা হ'ব সেই লৈ মতভেদ হ'ল। অৱশেষত কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱা আৰু পুখুৰীপৰীয়া বুঢ়াগোহাঁই লগ হৈ ৰজাৰ ভায়েক প্ৰমত্ত সিংহক ৰজা পাতে। এফালে কালুগঞা বৰপাত্ৰ গোহাঁই, দিহিঙীয়া নাওঁবৈচা ফুকন আৰু দিহিঙীয়া বৰগোহাঁই তিনিওজন একত্ৰিত হৈ তিপামৰ ৰজাক ৰজা পাতিবলৈ উঠিপৰি লাগে। আনফালে কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱা আৰু পুখুৰীপৰীয়া বুঢ়াগোঁহাই লগ হৈ ৰজাৰ ভায়েক প্ৰমত্ত সিংহক ৰজা পাতিবলৈ দৃঢ় পৰিকৰ হ'ল। অৱশেষত কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱাই সফল হ'ল। প্ৰমত্ত সিংহৰ দিনত কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱাই যথেষ্ট প্ৰতিপত্তি লাভ কৰিবলৈ সক্ষম হয়। আনকি বৰবৰুৱাৰ বহুতো ব্যক্তিগত উপদেশো স্বৰ্গদেৱে নিৰ্বিবাদে

মানি ল'ব লগা হৈছিল।

প্ৰমত্ত সিংহৰ দিনত বহিঃশত্ৰুৰ উপদ্ৰৱ প্ৰায় নাছিল বুলিয়েই ক'ব পাৰি। সেয়ে ৰাজ্যৰ ভিতৰুৱা কাৰ্য্যত মনোযোগ দিব পাৰিছিল। এইজনা ৰজাৰ দিনতে কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱাই ৰংপুৰত আগৰ কাঠৰ ৰংঘৰৰ ঠাইত পকী দু-মহলীয়া ৰংঘৰ নিৰ্মাণ কৰাইছিল। সেই ৰংঘৰ আজিও ৰংপুৰত জিলিকি আছে। ইয়াৰ উপৰিও গড়গাওঁ নগৰৰ সিংহ দুৱাৰ, গুৱাহাটীৰ শুক্ৰেশ্বৰ দৌল আৰু ৰুদ্ৰেশ্বৰ মন্দিৰো এইজনা ৰজাৰ দিনতে আগভাগলৈ কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱাই নিৰ্মাণ কৰাইছিল।

সাতবছৰ সুচাৰুৰূপে ৰাজসিংহাসন অলঙ্কৃত কৰাৰ পাছত ১৭৫১ চনত স্বৰ্গদেৱ প্ৰমত্তসিংহৰ মৃত্যু হয়। এইজনা ৰজাৰ পাছত সিংহাসন পাব লাগিছিল তেওঁৰ ভায়েক মোহনমালা বৰজনা গোহাঁইদেৱে। পিছে সেইখিনিতে বিঘিনি মিলিল।

মোহনমালা সুন্দৰ, সুঠাম আৰু ৰাজোচিত পুৰুষ আছিল। মোহনমালাই ভাবিছিল ৰাজ বিষয়াসকলে তেওঁকেই ৰজা পাতিব। কিন্তু বাস্তৱত সেইটো হৈ নুঠিল। কীৰ্ত্তিচন্দ্ৰক বৰবৰুৱা পতাৰ সময়ত মোহনমালাই যথেষ্ট সহায় কৰিছিল। ইয়াতে কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱাৰ ভয় হ'ল যে যাৰ অনুগ্ৰহত তেওঁ বৰবৰুৱা হৈ আছে, সেই জনা ৰজা হ'লে তেওঁৰ প্ৰতিপত্তি নাথাকিব। হেন জানি কীৰ্ত্তিচন্দ্ৰই মোহনমালাক বুদ্ধিৰে ছলনা কৰিলে।

কোনো অংগ খুঁত থাকিলে কোনো ৰাজ কুমাৰেই সিংহাসনত বহিব নোৱাৰে। এইয়া আহোম স্বৰ্গদেৱসকলৰ নীতি। সৰুতে বসন্ত ওলাই মোহনমালাৰ মুখত দাগ ৰৈ গৈছিল। তাকে কাৰণ হিচাপে লৈ কীৰ্ত্তিচন্দ্ৰই ঘোষণা কৰিলে বোলে মোহনমালা ৰজা হোৱাৰ অনুপযুক্ত। গতিকে চুৰম্‌ফা কোৱঁৰক ৰজা পাতিব লাগে। মোহনমালাৰ ওপৰত আকাশীস্বৰগ ভাগি পৰিল।

চুৰম্‌ফা কোৱঁৰ আছিল অত্যন্ত ভাতৃভক্ত। ককায়েক মোহনমালাৰ দুখ বুজি তেওঁ সিংহাসনত বহিবলৈ অমান্তি হ'ল। চুৰম্‌ফাৰ আজল মথালিয়ে কীৰ্ত্তিচন্দ্ৰক আকৌ নতুন সমস্যাৰ মুখামুখী কৰিলে। কিন্তু কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱা ইমান সহজে এৰি দিয়া ভকত নহয়। তেওঁ চুৰম্‌ফাক ৰজা হ'বলৈ বাধ্য কৰালে। শিঙৰীঘৰত উঠাৰ পাছত চুৰম্‌ফাই ন্যাম ল'লে ৰাজেশ্বৰ সিংহ।

স্বৰ্গদেউ ৰাজেশ্বৰ সিংহৰ দিনত কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱা গৌৰৱৰ উচ্চ শিখৰত উঠিল। ইতিহাস প্ৰসিদ্ধ বহুতো কৰ্মেৰে তেওঁক পাহৰিব নোৱাৰা কৰি থৈ গ'ল। তেওঁ স্বৰ্গদেৱৰ অপাৰ অনুগ্ৰহ লাভ কৰিব পাৰিছিল। বিশেষকৈ মণিপুৰৰ ৰজা জয়সিংহৰ জীয়াৰী কুৰঙ্গনয়নীক স্বৰ্গদেৱ ৰাজেশ্বৰ সিংহলৈ নিজে ধৰ্ম পিতৃ হৈ বিয়া কৰাই অনাৰ পাছৰে পৰা কীৰ্ত্তিচন্দ্ৰৰ ক্ষমতা আৰু মৰ্য্যাদা বৃদ্ধি পালে। কীৰ্ত্তিচন্দ্ৰৰ চেষ্টাৰ ফলতেই মণিপুৰৰ লগত অসমৰ এক মধুৰ ৰাজনৈতিক সম্বন্ধ স্থাপন হৈছিল। স্বৰ্গদেৱ ৰাজেশ্বৰ সিংহৰ দিনতেই সংঘটিত হৈছিল বুৰঞ্জী প্ৰসিদ্ধ লতাকটা ৰণ।

গছ- লতাৰে আবৃত অৰণ্যত যুদ্ধ কৰি আহোম সৈন্যবোৰ ঘূৰি অহাৰ খবৰ পাই মান সৈন্যই পুনৰ মণিপুৰ আক্ৰমণ কৰিলে। এইবাৰ মণিপুৰ উদ্ধাৰৰ ভাৰ পৰিল কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱাৰ পুত্ৰ উমা খঙীয়া ফুকনৰ ওপৰত। উমা খঙীয়া ফুকনে মণিপুৰৰ পৰা মান সৈন্যক খেদি জয়সিংহক পুনৰ ৰজা পাতিলে। পুত্ৰৰ এনে কাৰ্য্যত কীৰ্ত্তিচন্দ্ৰৰ মৰ্য্যদা আৰু বৃদ্ধি পালে। কীৰ্ত্তিচন্দ্ৰৰ যশস্যা ৰাজ্যত ভোটাতৰাৰ দৰে জিলিকি উঠিল।

কীৰ্ত্তিচন্দ্ৰৰ ক্ষমতা আৰু প্ৰতিপত্তি দিনক দিনে বাঢ়ি যোৱাত ডা-ডাঙৰীয়াসকলৰ মাজত ঈৰ্ষা আৰু অসন্তুষ্টিয়ে দেখা দিলে। ৰজাৰ অনুগ্ৰহ পাই তিনিওজনা মন্ত্ৰীৰ ওপৰতো কীৰ্ত্তিচন্দ্ৰই বৰ প্ৰভূত্ব বিস্তাৰ কৰিলে। ইয়াতে তিনিওজনা ডাঙৰীয়াৰ ক্ষোভ হ'ল। কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱাক হেয় জ্ঞান কৰিবৰ নিমিত্তে ৰাজমন্ত্ৰী বৰগোঁহাই ডাঙৰীয়া নুমলীয়ে এখন বুৰঞ্জী ৰচনা কৰে। এই বুৰঞ্জীত ৰজা প্ৰজা আৰু বিষয়া সকলোৰে বিষতুল্য দোষ গুণৰে লিপিবদ্ধ কৰা হৈছিল বাবেই এই বুৰঞ্জীখনক চকৰিফেঁটী সাপৰ লগত ৰিজাই 'চকৰিফেঁটী' বুৰঞ্জী নাম দিছিল।

কীৰ্ত্তিচন্দ্ৰৰ পিতৃ ৰূপচন্দ্ৰই ৰাজবিষয়া হোৱাৰ আগতে এঘৰ মুছলমানৰ ঘৰত কাম কৰিছিল। সেয়ে নুমলীয়ে কীৰ্ত্তিচন্দ্ৰক 'জলমবটা দৰ্জী' বা গৰখীয়া ল'ৰা বুলি অনেক কৰ্কথনা কৰিলে। এই বুৰঞ্জীখনত অনেক অশ্লীল জঘন্য কথাইও ঠাই পাইছিল। ইয়াৰ উপৰিও কীৰ্ত্তিচন্দ্ৰ প্ৰকৃত আহোম নহয় বুলিও উক্ত বুৰঞ্জীত উল্লেখ কৰা হৈছিল।

বৰবৰুৱাই কথাটো জনাৰ পিছত তেওঁৰ বিষম ক্ৰোধ হ'ল। নৰাদেশৰ পৰা নিজৰ গোষ্ঠীৰ মানুহ আনি প্ৰকৃত আহোম বুলি প্ৰমাণ কৰি দেখুৱালে। তেওঁযে প্ৰকৃত আহোম সেই কথা ফটফটীয়া হ'ল। ইয়াৰ পাছত তেওঁৰ চিন্তা আহিল যে বুৰঞ্জী লেখক সকলক এইবাৰ এইদৰে এৰি দিব নোৱাৰি। ইয়াৰ কিবা এটা প্ৰতিকাৰ নিশ্চয় কৰিব লাগিব।

স্বৰ্গদেৱৰ আজ্ঞাৰে ৰাজ্যৰ সকলোবোৰ বুৰঞ্জী গোটাই অনা হ'ল। সকলোবোৰ তন্ন তন্নকৈ পৰীক্ষা কৰা হ'ল। এনেকৈ বুৰঞ্জীবোৰ গোটাই পৰীক্ষা কৰোঁতে দুবছৰ সময় লাগিল। যিবোৰত স্বৰ্গদেৱ বা ডা-ডাঙৰীয়াসকলক তাচ্ছিল্য কৰা হৈছিল বা অন্য খুঁত থকাৰ প্ৰমাণ পোৱা গৈছিল, সেইবোৰক বেলেগে ৰখা হ'ল। খুঁত নথকা বুৰঞ্জীবোৰ গৰাকীক ঘূৰাই দিয়া হ'ল। খুঁত থকা বুৰঞ্জীবোৰ একেলগ কৰি বৰবৰুৱা নিজে আগত থাকি অগ্নি সংযোগ কৰালে। বুৰঞ্জীবোৰ দাহ হ'ল। এক মচিব নোৱাৰা কলঙ্ক কীৰ্ত্তিচন্দ্ৰৰ ওপৰত থাকি গ'ল।

পিছে এই কলঙ্ক অকল কীর্ত্তিচন্দ্রৰ ওপৰত জাপিলে একপক্ষীয় বিচাৰ কৰা হ'ব। মিছা অপবাদে ক্ষমতাশালীজনক ক্ৰোধান্বিত কৰা স্বাভাৱিক। নুমলী বৰগোঁহায়ে কীৰ্ত্তিচন্দ্ৰক হেয় কৰিবলৈ মিছাৰ আশ্ৰয় নোলোৱাহেঁতেন এই কাৰ্য্য সংঘটিত নহ'লহেঁতেন। ইয়াৰ উপৰিও বেয়াখিনি পুৰি ভালখিনি ৰক্ষা কৰিলে। ইয়াৰ কাৰণে কীৰ্ত্তিচন্দ্ৰ নিশ্চয় শলাগৰ পাত্ৰ। খণ্ডৰ ভমকত সকলোবোৰ বুৰঞ্জী পুৰি পেলোৱাহেঁতেন শাও দিয়াৰ বাহিৰে একো কৰিবলগীয়া নাথাকিলেহেঁতেন।

এই বুৰঞ্জী দাহ ঘটনাটোৰ পাছৰে পৰা কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱা জনসাধাৰণৰ মাজত অপ্ৰিয় হৈ উঠিল। ডা-ডাঙৰীয়াসকলে কীৰ্ত্তিচন্দ্ৰক হত্যা কৰিবৰ বাবে চেষ্টা চলালে। কিন্তু কীৰ্ত্তিচন্দ্ৰক ভাগ্যই সহায় কৰিলে। কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱা সাৰি গ'ল। এই হত্যাৰ পৰিকল্পনাত স্বৰ্গদেৱৰ হাত আছিল বুলি বৰবৰুৱাই সন্দেহ কৰিলে। কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱাই এতিয়া ছাঁটোক বাঘটো দেখা হ'ল। তেওঁ সকলোৰে ওপৰত বিশ্বাস হেৰুৱাই পেলালে। কীৰ্ত্তিচন্দ্ৰৰ কাৰ্য্যত স্বেচ্ছাচাৰিতা প্ৰকাশ পাবলৈ ধৰিলে।

ৰাজেশ্বৰ সিংহৰ দিনত মোৱামৰীয়া মহন্ত সকলৰ প্ৰতিপত্তি দিনক দিনে বাঢ়ি গৈছিল। আনকি ৰজাঘৰকো তেওঁলোকে ভাবুকি দিবলৈ আৰম্ভ কৰিছিল। মায়ামৰা মহন্তসকলে কীৰ্ত্তিচন্দ্ৰক চকুপাৰি দেখিব নোৱাৰিছিল। ৰাণী ফুলেশ্বৰীৰ দিনত তেওঁলোকৰ ওপৰত হোৱা নিৰ্য্যাতনত কীৰ্ত্তিচন্দ্ৰৰ হাত আছিল বুলি বিশ্বাস কৰিছিল। সেয়ে কীৰ্ত্তিচন্দ্ৰক প্ৰতিশোধ লোৱাৰ মানসেৰে য'তে সুবিধা পাইছিল তাতে তেওঁক অপমান কৰিবলৈ ধৰিলে। কীৰ্ত্তিচন্দ্ৰয়ো তেওঁলোকৰ প্ৰতিশোধৰ উত্তৰ নিদিয়াকৈ থকা নাছিল। এইদৰে ৰাণী ফুলেশ্বৰীৰ দিনত আৰম্ভ হোৱা মায়ামৰাসকলৰ ক্ৰোধ লাহে লাহে বিদ্ৰোহত পৰিণত হ'বলৈ ধৰিলে।

১৭৬১ চনত স্বৰ্গদেৱ ৰাজেশ্বৰ সিংহই নশ্বৰ দেহ ত্যাগ কৰে। কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱাই এইবাৰ লক্ষ্মীনাৰায়ণ সিংহক ৰজা পাতে।

এদিন স্বৰ্গদেৱ লক্ষ্মীসিংহৰ সৈতে কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱা নাৱেৰে ফুৰিবলৈ যাওতে নৈৰ ঘাটত অষ্টভুজ মহন্তক লগ পালে। মহন্তই ৰজাক সেৱা জনালে। কীৰ্ত্তিচন্দ্ৰক উপেক্ষা কৰি ৰজাক আশীৰ্বাদ দিলে। এই কাৰ্য্যত বৰবৰুৱাৰ খং উঠিল আৰু চাওদাঙৰ হতুৱাই বাঘৰক ধৰাই আনি চমতাৰে কোবাবলৈ আদেশ দিলে। বাঘৰৰ পিঠি ফাটি তেজ বৈ গ'ল। ৰাঘৱে প্ৰতিজ্ঞা কৰিলে কীৰ্ত্তিচন্দ্ৰৰ ওপৰত ইয়াৰ প্ৰতিশোধ লোৱা হ'ব। ৰাঘৱে মায়ামৰা সকলক একগোট কৰি ৰজাৰ বিৰুদ্ধে বিদ্ৰোহ কৰিবলৈ সাজু হ'ল।

১৭৬৯ চনৰ আঘোণ মাহত মায়ামৰাসকলে বিদ্ৰোহ ঘোষণা কৰিলে। ৰজাৰ ঘৰৰ পৰা তেওঁলোকে কোনো বিশেষ বাধা নাপালে। ইখনৰ পাছত সিখন যুদ্ধত মায়ামৰা সকল জয়ী হ'ল। স্বৰ্গদেৱ, কীৰ্ত্তিচন্দ্ৰকে ধৰি ডা-ডাঙৰীয়াসকলে ৰংপুৰত আশ্ৰয় ল'লে। কিন্তু মায়ামৰাসকলে ৰংপুৰো অধিকাৰ কৰিলে।

কীৰ্ত্তিচন্দ্ৰই বুজি পালে যে এইবাৰ তেওঁৰ নিস্তাৰ নাই। তথাপিতো মৃত্যুৰ শীতল পৰশ ইমান সোনকালে নললবলৈ চেষ্টা কৰিলে। সেয়ে স্বৰ্গদেৱে আৰু কীৰ্ত্তিচন্দ্ৰই মায়ামৰ অষ্টভুজ মহন্তৰ আশ্ৰয় বিচাৰিলে। 'আশ্ৰিত জনক ৰক্ষা কৰা পৰম কৰ্ত্তব্য' এই বুলি মহন্তই দুয়োকে আশ্ৰয় দিলে।

ৰাঘৱৰ প্ৰতিজ্ঞা আছিল কীৰ্ত্তিচন্দ্ৰক সবংশে নিধন কৰা। গুৰুৱে আশ্ৰয় দিয়া বুলি শুনি ৰাঘৱ অতি ক্ৰোধান্বিত হ'ল আৰু গুৰুৰ ওচৰলৈ আহি ৰজা আৰু বৰবৰুৱাক তেওঁক সমৰ্পণ কৰিবলৈ জনালে। ৰাঘৱক অনেক নীতি কথাৰে বুজনি দিও মহন্তই আশ্ৰিত জনক ৰক্ষা কৰিব নোৱাৰিলে। ৰাঘৱে বলেৰে ৰজা আৰু কীৰ্ত্তিচন্দ্ৰক লৈ গ'ল। আশ্ৰিতক ৰক্ষা কৰিব নোৱাৰি অষ্টভুজ মহন্তই অত্যন্ত শোক পালে আৰু ৰাঘৱক অভিশাপ দিলে 'তই অলপতে নষ্ট যাবি।'

লংকালৈ যিয়ে যাব, সিয়ে ৰাৱণ হয়। ৰাঘৱেও প্ৰজা সকলক নকৰিবৰ চকৰি কৰিলে। ৰজাক দ'লত বন্দী কৰি থ'লে। কীৰ্ত্তিচন্দ্ৰক সগোত্ৰে নচঁচা শূলত দি হত্যা কৰিবলৈ আদেশ দিলে। ৰাঘৱ মৰাণৰ আজ্ঞাৰে ১৭৬৯ চনৰ মাঘমাহত ৭০ বছৰীয়া বুঢ়া ৰাজনীতিজ্ঞ কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱাক, তেওঁৰ পুত্ৰ চন্দ্ৰহাস ডেকা বৰুৱা, উমা ঢেকীয়াল ফুকন আৰু পদ্মসিংহৰ সৈতে নচঁচা শূলত দি হত্যা কৰিলে।

এইদৰে এইজনা ৰাজনীতিজ্ঞৰ জীৱনৰ অৱসান ঘটিল।

[শ্ৰীযোগেন দত্তৰ 'কীৰ্তিচন্দ্ৰ বৰবৰুৱা আৰু পুৰণি বুৰঞ্জীৰ আধাৰত। লেখক]

# Prayer to Sun

**Miss Nupur Hazarika**
**H. S. Ist year**

O' Sun
Can you give us
The shine of joy
The shine of friendship and love
The shine of beauty and truth

O' sun, source of all power
Give us a society
Evergreen with justice and equality
The only source of love and friendship
The only source of all beauty and truth. ■

# Friendship

**Abhijit Kalita**
**H. S. 2nd year (Science)**

No man can live a life
in an island all alone
To live in this world
he needs a heart like his own.

He wants a heart like his own
that can sweeten his life
A heart, his joys to highten
his sorrows to lighten.

Light the lamp of friendship
with the oil of sincerity
Never, never let it die
For friendship brings such happiness
As money cannot buy. ■